ফুকনেৰে ৰজাকে মাৰি তিংখঙ্গীয়া কোঁৱৰকে ৰজা পাতিলে। পাচে লাউক পঠাই গুৱাহাটীৰ পৰা আনি ৰাজখোৱাবোৰক কাটি মাৰিলে। ১০১॥

অৰ্জ্জুন দিহিঙ্গীয়া ৰজা।—কলচুৰ পুতেকক পঠাই ৰৰফুকনক আনিব দিলত সেই সময়ত বাহগড়ীয়া বুঢ়াগোহাঁই গুৱাহাটীতে আছিল। বুঢ়াগোহাঁই প্ৰমুক্ষে সবে আহি ডেবেৰাক মাৰি ৰজাকো মাৰিলে। পাচে দিহিঙ্গীয়া কোঁৱৰক ৰজা পাতিলে। দিহিঙ্গীয়া ৰজা হৈ মৰামৰা চেচামুখত দৌল বান্ধিলে। ডেৰবছৰ থাকি বুঢ়াগোহাঁয়ে ৰজাক ধৰিবলৈ গল। ৰজা জানি নামি আহি বুঢ়াগোহাঁইৰ দোলালৈ গুচি গল। বুঢ়াগোহাঁই গৈছিল পাচত। ৰজা গৈ দোলাত কোব মাৰিলত দোলা পেলাই সবে ছুঁহকি গল। বুঢ়াগোহাঁই গৈ দেৱৰগাৱঁত বৈ ফুকনবোৰলৈ জনালত সিবোবে আহি কটাবিখামৰ গড়ত কিছুমান যুজি ৰজা ভাগি নগৰ সোমালহি। এনেতে ৰজাক ধৰি মাৰিলে। ৰাজভোগ ডেৰ বছৰ। লাক্নি তাওমিত ৰানা খুতচিঙ্গা। ১০২॥

# দ্বিতীয়খন বুৰঞ্জী

## আদিৰজা স্বৰ্গনাৰায়ণৰ পৰা ওপৰজনা দিহিঙ্গীয়া ৰজালৈকে

**বশিষ্ঠ মুনিৰ তপোভঙ্গ ।**—শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ মহাৰজাৰ আখ্যান ॥ সৌমাৰপীঠৰ দক্ষিণ দিশে দিখৌ নামে নদীৰ তীৰত বশিষ্ঠ মহাঋষিয়ে তাতে মনোৰম পবিত্ৰ স্থান দেখি দিব্য আশ্ৰম কৰিলে । পাচে তাত ঈশ্বৰ পূজাৰ অনেক বস্তু-দ্ৰব্য যন্ত্ৰ কৰিলে । ব্ৰহ্মাক একাগ্ৰ কৰি চিন্তিলে । কতোদিন থাকি সেই আশ্ৰমতে ধ্যান কৰি বসি আছিলে ।

পাচে ইন্দ্ৰদেৱে মহা উগ্ৰতপ কৰিবাৰ দেখি মনে সংকোচিত হুয়া শ্যামা অপেশ্বৰীক বোলে,—"মোৰ ইন্দ্ৰ-পদকেহে ইচ্ছা কৰিছে উগ্ৰতপ কৰি । শ্যামা, তুমি যোৱা, যেন-তেন প্ৰকাৰে সমীপে গৈ তপ ভঙ্গ কৰাগৈ ।" পাচে শ্যামা অপেশ্বৰীয়ে বোলে,—"দেৱৰাজ, শুনা, বশিষ্ঠ যাক বোলে তেওঁ সাক্ষাতে ব্ৰহ্মা, জ্বলন্ত অগ্নি, কেমনে জাম্প দিব ?" ইন্দ্ৰে বোলে,—"মই বিদ্যমানে তন্ত্ৰি কাকো ভয় নকৰিবি ।" ইন্দ্ৰে আৰু বোলে,—"ময়ো তোৰ সঙ্গতে সহায় হৈয়া যাবোঁ ।"

পাচে শ্যামা বিদ্যাধৰীয়ে সৌমাৰপীঠলৈ গমন কৰি বশিষ্ঠৰ আগত দিব্যৰূপ ধৰি নৃত্য-গীত কৰিলে । একোৰূপে তপস্যা ভঙ্গ কৰিব নোৱাৰিলে । মহাশ্ৰান্ত হুয়া গঙ্গাস্নান কৰিবলৈ ইচ্ছা কৰিলে । সেই বশিষ্ঠগঙ্গা বিষ্ণুপদীগঙ্গা সদৃশ বশিষ্ঠ ঋষিৰ প্ৰভাৱে । সেই নদীৰ জলতে নামি অনেক প্ৰকাৰে ইন্দ্ৰে ক্ৰীড়া কৰিব ধৰিলে শ্যামা অপেশ্বৰী সঙ্গে । পাচে শ্যামা অপেশ্বৰী ঋষিৰ তপ ভঙ্গ কৰিলা । ১০৩ ॥

**পদ্মিনী কন্যা শ্যামা অপেশ্বৰী ।**—পাচে বশিষ্ঠে বোলে,—"তন্ত্ৰিঃ দেৱতাৰ ৰজা হৈ এনে অন্যায় কিয় কৰ ? নদীও, তন্ত্ৰি উত্তম তীৰ্থ,

অকর্ম্ম কিয় কৰ ? তঞি মনুষ্য হবি গৈ ।" পাচে নদীক বোলে,—"তঞি পূৰ্ব্বৰতে হৈয়া থাক । মোৰ প্ৰসাদে তোত স্নান কৰি অক্ষয় স্বৰ্গ পাইছিলে ।" শ্যামা অপেশ্বৰীক বোলে,—"তোৰ মনুষ্য পতি হৈব ।" এনে প্ৰচণ্ড শাপ দিলা । ঋষি-শাপ শুনি মহাভয় হৈয়া পাচে তুতি কৰিলা,—"হে গুৰু, শাপৰ অন্ত দিয়া । তুমি মহাতপস্বী, সাক্ষাতে ব্ৰহ্মা । জ্বলন্তা অগ্নিত জাম্প দিলোঁ ।" বোলে,—"তঞি বৰনড়াৰ ৰাজ্যত আইহ্লান নামে ৰজা হৈ স্বধৰ্ম্মত প্ৰজাক পালিবি । অসুৰৰূপ হবিগৈ ।" অপেশ্বৰীক বুলিলে,—"ইন্দ্ৰপূর্ণ নামে ৰাজা, চেংডাম নামে মন্ত্ৰীৰ গৃহত জন্ম ধৰিবিগৈ, সেই ৰাজাৰ ভাৰ্য্যা হবিগৈ । তোত গৰ্ভধান কৰিব ইন্দ্ৰে, পুত্ৰ জন্মাই স্বৰ্গলৈ যাইবো । সেই পুৰুষজনে ৰাজা হৈ পৃথিবী পালিব ।" নদীক বোলে,—"তঞি কলিযুগৰ অযুত বৎসৰ গৈলে মুক্ত হৈবি ।"

পাচে ইন্দ্ৰে বোলে,—"চেংডাম মন্ত্ৰীৰ গৃহত গৈয়া জন্ম ।" ইন্দ্ৰ-আদেশে চেংডাম মন্ত্ৰীৰ গৃহত জন্মিলেহি । অতি সুন্দৰী কন্যা হৈল ৰূপে গুণে । স্বপ্নত জানি সেই পদ্মিনী কন্যাক নড়াৰজা চেংডামে নি মহিষী পাতিলে, লাক্নি কাবাও শকত ১০৪০ । ১০৪ ॥

স্বৰ্গনাৰায়ণৰ জন্ম ।—এই শক দিনতে চেংডাম ৰাজা পশু মাৰিবলৈ গৈল । পাচে চেংডামৰ বেশ ধৰি ইন্দ্ৰে সেই মহিষীক ৰমিলা । পাচে মহিষী ৰাত্ৰি স্বপ্নত দেখিলা, বোলে,—"মই ইন্দ্ৰ, তোৰ গৰ্ভাধান কৰিছোঁ । আতহন্তে যি পুত্ৰ জন্মিব সি মোৰ অংশ, প্ৰধান ৰাজা হব । আৰ নাম স্বৰ্গনাৰায়ণ প্ৰখ্যাত । আজি ধৰি তোৰ পুত্ৰ নজন্মেমানে তই স্বামী সঙ্গে নযাইবি, সাৱধানে থাকিবি । আৰো স্বামীয়ে তোক নিলগাই উশৃত থলত থব । পাচে পুত্ৰ জন্মিলে মঙ্গল কৰিব, সুবৰ্ণ জখলাৰে নমাই আনিব ।"

পাচে মহিষীয়ে সকলোখানি ৰাজাক বিশ্বাসে কহিলা । পাচে নড়া চেংডামে এইকথা আইহন্তে শুনিলা । সপোন মতে মন্ত্ৰীএ বৰা-বৰুক লোকজন সহিতে সমালোচন কৰি পালীপহৰীয়া দি সেই

চাঙ্গতে ৰাজাৰ মহিষীক চাৰিটা বেটী লগত দি সেই উশৃত স্থলত নি প্ৰবন্ধে কৰি থলে। জুই-পানী যি লাগে ডাঁৱৰ অগ্ৰে বান্ধি দিছিলে।

পাচে কতদিনান্তৰে ৰাজাৰ পুত্ৰ জন্মিবাৰ শুনিলে। চেংডাম ৰাজাৰ পালী-পহৰীয়াসবে ৰাজাত জনাইলা। পুত্ৰ জন্মিবাৰ শুনি মহা আনন্দ কৰিলা, সভাৰ্য্যে সহিতে গৈলা, মুংৰিমুংৰাম পালেগৈ। অনেক মঙ্গল-উৎসব কৰি সুবৰ্ণৰ জখলাৰে নমাই আনিলে, বালক সহিতে মহিষীয়ো নামি আসিলা, লাইডাই পালেহিগৈ। অনেক মঙ্গল কৰিলাগৈ। সেই চৱালৰ নাম থলে, স্বৰ্গনাৰায়ণ প্ৰক্ষাত হল। ১০৫ ॥

সিংহাসনত স্বৰ্গনাৰায়ণ ৰজা।—দেৱতাৰ সন্ততি ৰাজকুমাৰ অল্পকালতে গুণৱন্ত বিদ্যাৱন্ত সকলোৰূপে সামৰ্থ হল। পাচে চেংডাম ৰাজা অনেক মঙ্গল-উৎসব কৰি যুৱৰাজ পাতিলা। যুৱৰাজ হৈ কতোদিন থাকিল। একদিনা ৰাজাৰ মহিষী বোলে,—"বুপা, তোৰ পিতৃ ৰাজা নহয়, তই দেৱতাৰ বীৰ্য্যৰ সন্ততি।" পাচে এইকথা শুনি মুংৰিমুংৰাম পৰ্ব্বতলৈ গমন কৰিলে। পাচে একাগ্ৰচিত হুয়া বোলে,—"মোৰ পিতৃদেৱতা কোন?" এইবুলি মনে বহুত খেদ কৰিলা, মনতে চিন্তিব ধৰিলা।

পাচে তুষ্ট হুয়া দেৱৰাজে পুত্ৰ স্বৰ্গনাৰায়ণক দিব্যৰূপে আসি পুত্ৰক পৰিচয় দিলা। পাচে দিব্যৰূপ চমৎকাৰ দেখি বোলে,—"মোৰ পিতৃদেৱতা।" হেন জানি সবে ৰাজায়ো অবনত কৰি প্ৰণাম কৰিলে। পাচে প্ৰশ্ন কৰিলে,—"হে পিতৃ দেৱৰাজা, আমি কোন দেৱতা কাক সেৱা-পূজা কৰি নিৰ্ব্বিঘ্নিয়ে ৰাজ্যক প্ৰতিপালন কৰিবো? পূজা বা কোন প্ৰকাৰে দিবো?" এহি শুনি ইন্দ্ৰে বুলিলা,—"তোৰ পিতৃ মৰিলে পাত্ৰ-মন্ত্ৰীসকলে তোক ৰাজা পাতিব। তাৰ পৰা পাঞ্চদিনৰ পাচে এই স্থানক আসিবি, মই সকলো বুজাই কম।" এই বুলি ইন্দ্ৰদেৱ অন্তৰ্দ্ধান হল। যুৱৰাজো গৃহক আসিলা।

পাচে কতোদিনান্তৰে লাক্লি প্লেকচেও ১০৫৫ শকত নড়াৰজা চেংডাম হৰাল। পাত্ৰ-মন্ত্ৰীসকলে স্বৰ্গনাৰায়ণক ৰজা পাতিলে। চেংডাম ৰজাৰ ভোগ ৩৪ বৎসৰ। ১০৬॥

স্বৰ্গনাৰায়ণলৈ ইন্দ্ৰদেৱতাৰ উপহাৰ চোমদেৱ।—পাচে স্বৰ্গনাৰায়ণ ইন্দ্ৰৰ বচন স্মৰি একাগ্ৰ হৈ সেই বনত প্ৰৱেশ হৈলা। তাতে ইন্দ্ৰে পূৰ্ব্বৰতে দেখা দিলা। পাচে দেৱতাৰ অধিষ্ঠান চুমদেৱক দিলে, পূজাৰ সকলো বিধান কলে, আৰু এইবুলি কলে,—“এই চুমদেৱক অতি গুপ্ত কৰি থবি। আৰ প্ৰভাবে অখণ্ড সম্পত্তি হুব।” আকৌ কলে ইন্দ্ৰে,—“ববনড়া আইক্লান নামে ৰজা আছে, সিও মোৰ অংশ। তাৰ ঠাইলৈ তঞ্চি যাবি, ভাল মনুষ্য পঠাই মিত্ৰ কৰিবি। থাওলিপলিঙ্গ ১, থাওবকচেঙ্গ ১, এই দুই পণ্ডিতক খুজি পঠাই, আনিবি, তাৰ মুখে শাস্ত্ৰ পঢ়িবি। পাচে ব্যৱহাৰ কৰিবি, সেই শাস্ত্ৰক নেৰিবি।” আৰু বাখৰপতা আঙ্গঠি এটা স্মুৰ্বৰ্ণৰ দিলা।

সেই আঙ্গঠিয়ো দিলে আৰু কাকতি-পত্ৰ দি পঠালে ভাল মনুষ্যৰ হাতত। থাপলিপ্‌লিঙ্গ, থাওবকচেঙ্গ, এই দুই পণ্ডিতকে খুজি পঠালে। পাচে ববনড়া আইক্লান ৰজায়ে কাকত-পত্ৰ শুনি ইন্দ্ৰৰো আঙ্গঠিকো দেখি পৰম আনন্দ হৈ সেই দুই পণ্ডিতক শাস্ত্ৰে সহিতে পঠিয়াই দিলে। ঢুলীয়া, মৰীয়া, কালীয়া, ভেকুৰা, ববঢাক, স্মুনীয়া হেঙ্গদান, পানী-নাগিনীৰ লাঙ্গি এক, লাচা ভালুক, লাচাই বাঘ, লঙ্গু সাপ, লাচিত উদ, লাপেত মেকুৰী, লাউ বান্দৰ, এই বস্তুসকল দি পঠালে আপোন বংশহেন জানি। কটকীকো বটা-প্ৰসাদ দি পঠালে, মিত্ৰ কৰি বিদায় দিলে।

পাচে স্বৰ্গনাৰায়ণ সেই দুই পণ্ডিতক, ৰাজযুগ্য বস্তুক পাই আনন্দ কৰিলা। পণ্ডিতৰ দ্বাৰে ভাল মনুষ্যক পঢ়ালে। শাস্ত্ৰ অনুসাৰে ধৰ্ম্মক আচৰি ৰাজ্যক প্ৰতিপাল কৰি এইৰূপে দুয়ো ৰজা আৰু এইৰূপে পত্ৰ-সন্দেশ দিয়া-দি কৰি মিত্ৰভাবে প্ৰীতিত আছিল। পাচে স্বৰ্গনাৰায়ণ ৰাজা ১০৭৭ শকত স্বৰ্গগামী হ'ল। ভোগ বৎসৰ ২২। ১০৭॥

খুন্‌লুং আৰু খুন্‌লাই।—সেই স্বৰ্গনাৰায়ণ ৰজাৰ মুংৰিমুংৰাম পৰ্ব্বত এক ৰহস্য স্থান আছে। তাতে খুনলুং খুনলাই দুই পুত্ৰ আছে। পাচে সেই দুই ৰাজপুত্ৰ, পাত্ৰ-মন্ত্ৰীসকলে স্বৰ্ণময় জখলাৰে সেই পৰ্ব্বতৰ পৰা নমাই আনিলে, মঙ্গল কৰি ৰজা পাতিলে। পাচে পাত্ৰ-মন্ত্ৰী-সকলে মুংৰিমুংৰাম পৰ্ব্বততে ৰজাৰ নগৰ কৰিলে। তাতে ৰজা থকা হোলোঙ্গঘৰ সাজিলে।

পাচে আইক্লান ৰজায়ো স্বৰ্গনাৰায়ণ ৰজা হৰাল শুনি বহুত অসন্তুষ কৰিলে। ভাল মনুষ্যক পঠাই ভাষা দি দুই ভায়েকলৈ অনেক ৰাজনীতি শিকাই পঠালে খুনলাই খুনলুং দুই ৰজালৈ। খাটনিয়াৰ ডাঙ্গৰীয়া সকলৰ নাওঁ,—খুনতাই ১, খুন্‌তালাকতিং ১, খুনলাইভ্যাও ১, খুনবুখ ১, খুনতিপ্যি ১, খুন্‌মুংত্যান্‌মক্ ১, খুকফ্ৰত্যং ১, লচাতিল ১, খুনতাং অৰত্য ১, শুক্ৰবান ১, খুনকেওবান ১, খুফ্ৰাপৌ ১, ১১। এই আঘাৰে ফৈদে এইসকল সহিতে ৰাইজ্য ভোগ কৰি কত দিনান্তৰে মুংৰিমুংৰামৰ পৰা লাইডাই ৰাজ্যলৈ গমন। তাৰ লোকজন ভগা দেখি তাতে নগৰ কৰিলে। ১০৮॥

খুন্‌লুঙৰ স্বৰ্গলৈ ওভোতনি।—সেই ৰাজ্য ভাগিবৰ কাৰণ।—পূৰ্ব্বে লাইডাই ৰাজ্যৰ ৰজা ভিনবংশী খুনলুম নামে ৰজা আছিল। তেওঁৰ হৰালত পুতেক খেন্‌খাম্, ত্যাও-চাম্নন, নামে এই দুই ৰজা হল, ৰাজ্য ৰাখিব নোৱাৰিলে, সকলো লোকজন ভাগি শ্ৰীলোহিতৰ পাৰ হৈ গল। পুক্ষণেপোলামে ৰজা বাণতাও ৰাজ্য সোমালগৈ। তাতো ৰাজ্য ভাগিল। পাছে বাণতাও ৰাজ্যত দুয়োৰাজ্যৰ লোকজন একঠাই হুই কটা-কটি কৰিলে। বিস্তৰ লোকজন মৰিলে। পাচে মনডাম নামে নগা বন্দী এটা তাতে ৰজা হল। তাৰ দিনত অনেক অন্যায় হল, অনেক অধৰ্ম্ম হল। পাত্ৰ-মন্ত্ৰীসকলে সহিব নোৱাৰি তাক খুন কৰিলে। পাচে খুনলাই ৰজাৰ ৰৰপুতেক ত্যাওতাইফ্ৰাক আনি ৰজা পাতিলে।

পাচে লাইডাই ৰাজ্যত খুনলুং খুনলাই ৰজা হৈ কতদিন আছিল।

একদিনা খুনলুঙ্গে বুলিলে,—"মই চুমদেৱৰ অগ্ৰত স্মুবৰ্ণ এচক, ৰজতো একচক দিছিলো, আয়ুবট কইছিলোঁ ; ডালতো স্মুণ লগাই দিছিলোঁ, মইসে প্ৰধান ৰাজা হব পাঞ।" খুনলায়ে বোলে,—"মই স্মুবৰ্ণৰ টাৰ পিন্ধিছোঁ, মইসে প্ৰধান ৰজা হব পাওঁ।" পাত্ৰ মন্ত্ৰী-সকলে সমালোচন কৰি বোলে,—"ভাল, যি পিঠে সিডালো আছে মোৰ লগত, যি পিন্ধিছে সিও প্ৰধান ৰজা হব পাঞ।" এই বুলি লেখা চাই মূল টাৰ পালে। পাচে সকলেয়ো বোলে,—"মূলতে যিজনে পিন্ধিছে, সেইজন সে প্ৰধান ৰজা হব পায়।" এই কথা শুনি খুনলুঙ্গে অসন্তুষ কৰিহে গুচি গল। পাচে স্বৰ্গগামী হল। পাচে লাইডাই ৰাজ্যত খুনলাই প্ৰধান ৰজা হল। ১০৯ ॥

ত্যাওখুনকোম ৰজা।—পাচে খুনলাইৰ ভতিজাক ত্যাওলুলুকক মুংৰিমুংৰামত ৰজা পাতিলে। ত্যাওলুলুৰ তিনি পুতেক হল; বৰ ত্যাঙ্গাকোম ; মধ্যম ত্যাওমুনবিং ; সৰু খুংলুংত্যোপ। মুংৰিমুংৰামৰ পৰা নামি আহিল, মুংখামুংজা ৰাজ পালেহি। পাচে শ্ৰীলোহিত পাৰ হুই হিন্দু মানতৰাক পাই তাত থাকিবলৈ ভাল নাপাই মাওলুঙ্গলৈ গল। পাচে খেৰেমৰ মাজত ৰহিলেহি। তাৰপৰা গৈ তিলোঙ্গত ৰজা ৰহিলে-গৈ। তাতে চম্পা সৰোবৰ আছে। পাচে তাতে ত্যাঙ্গাকোম ৰজা হল। ভেএ্ৰাৰ মধ্য ভাই ত্যাওখুনবিং ৰজা হল। পাচে ভতিজাক ত্যাঙ্গাকোম ৰজা হল। তাতে থাকি মুংখুং, মুংখন, এই হুই ৰাজভোগ কৰিলে।

একদিন ত্যাওখুন ৰজায়ে থাওখুন ৰজালৈ কটকী পঠালে, বোলে,—"মোক মুংমাও ৰাজ্য এৰি দিয়োক। সি মুংথাওকাওকাক ৰাজ্যত থাওকগৈ। মই স্বৰ্গৰজাৰ বংশী, খুনলুং মহাৰাজাৰ নাতি, যদি ৰাজ্য এৰি নিদিলে মই শুদায়ে নেবিবো। ইন্দ্ৰ দেৱতায় ক্ৰোদ্ধ কৰিব।" পাচে কটকীয়ে এইৰূপে কলেগৈ। থ্যাওখুনৰ ৰজায়ে মহাভয় হুয়া মুংমাও ৰাজ্য এৰি দিলে, মুংলুং কাওকাং ৰাজ্যত ৰহিলেগৈ। তাতে ত্যাঙ্গাকোম ৰজায়ো ভাইসকলক ৰাজ্য মোৰাৰ দেখি……তাত ৰহিব নোৱাৰি মুংজাংকলিত ৰহিলেগৈ।

পাচে থাওখুন ৰজা গুচিলত ত্যাঙ্গাকোম ৰজাৰ আপুনাৰ পুত্ৰক থাওত্যাইপুঙ্গক মাওলুং ৰাইজ্যত ৰাজা পাতিলে। ত্যাওখুনকোম ৰজা মুংখান ৰাজ্যত থাকিল। মুংৰিমুংৰাম, মুংখুএ-মুংমাও এই ৰাজ্যত ৰাজা পাতিলে। সকলোকে প্ৰতিপাল কৰিছিল। থাওত্যাইপুঙ্গৰ থাওতালুং বৰ ১, লাঙ্গিপানীওপুং মধ্যম ১, লাচাম-ফুতাংখাং সৰু-মাজিউ, চুকখামচেন সৰু। পাচে থাওত্যাইপুং ৰাজায়ে তিনি পুতেকক ৰাজ্য বাটি দিলে। বৰপুতেকক থাওতালুঙত মুংতিজ্ৰত ৰাজা পাতিলে। লাচাম-ফুতাংখাঙ্গক মুভমিত, কুক্‌কিংত্যাও, এই ছুই ৰাইজ্যত ৰাজা পাতিলে।

পাচে ত্যাওতাইপুঙ্গৰ বাপেক তাওখুনকোম ৰাজা মুংখান ৰাজ্যতে কতদিন আছিল। ৰাজ্যক প্ৰতিপালন কৰি একদিনা আপোনাৰ বংশ সবাকো জ্ঞান দিলে,—"তহঁতে প্ৰীতিয়েৰে থাকিবি, কন্দল নকৰিবি, একেলগে চুলা বান্ধিবি, অধৰ্ম্ম নকৰিবি, ৰাজ্যক প্ৰতিপাল পুত্ৰৱতে কৰিবি।" এইমতে বোধ-জ্ঞান দি খুনকুম ৰাজা স্বৰ্গী হল। ১১০ ॥

চুপ্ৰাংফা ৰজা।—ত্যাওতাইপুং ৰাজা মধ্যম (তোলনীয়া?) পুত্ৰ মিতংমুং মুংমাও ৰাজাৰ পুত্ৰ। তেওঁৰে জীয়েক এটি মাত্ৰ আছিল; তেওঁৰ নাম ব্ৰকখামচেন, হিন্দুৱে বোলে ফুল। তাওকান ৰাজাৰ পুতেকলৈ দিলে। সেই ৰাজা-কুঁৱৰী থাওখেনপুং বুঢ়াগোহাঁইৰ জীয়েক। তেওঁৰে নাম নাংনাওপুম। সেই কুঁৱৰীতে ইন্দ্ৰদেৱতাৰ নাতি ব্ৰকখামডেঙ্গ আহি গৰ্ভাধান কৰিলেহি। ৰাজা গৰ্ভ জানি বাপেকৰ ঘৰলৈ খেদি পঠালে। বুঢ়াগোহাঁইয়ে বোলে,—"ৰাজাৰ কুঁৱৰী মোৰ গৃহত থাকিবলৈ ভাল নুহে।" এইবুলি পুনৰ্ব্বাৰ গৃহলৈ পঠালে।

পাচে বুঢ়াগোহাঁই থাওখেনপুং ৰাজাত জনাই পৰ্ব্বতত ঘৰ সাজি পালী-প্ৰহৰীয়া দি গড়-প্ৰাচী যত্ন কৰি তাতে থলে। পাচে বালক জন্মিল। বিশ্বাসে সুধিলত কুঁৱৰীয়ো সমস্তে কহিলে, বোলে,—

"একো সঞ্চয় কৰিব নলাগে। এক দেৱপুৰুষে মোক ৰাত্ৰি ৰমিলে, তাৰেসে সন্ততি।" এইৰূপে কহিলত দেৱতাৰ বীৰ্য্য-পুত্ৰ জন্মিল, অনেক মঙ্গল-উৎসৱ কৰি নমাই আনিলে। সেই বালকৰ নাম চুপ্ৰাংফা দিলে।

এনায়েক পুতাকৰ ঘৰত তিনি বৎসৰ আছিল। পাচে লাঙ্গি-পামিওপুং ৰাজা বলিয়া হৈ আপুনি ডিঙ্গি কাটি মৰিল। বুঢ়াগোহাঁইয়ে চুপ্ৰাংফাক ৰজা পাতিলে। মুংমাও ৰাজা এই ৰাজাক বোলে। ১১১॥

খুন্‌লাইৰ বংশধৰ ৰজাসকল।—খুনলাই ৰাজাৰ কথা কওঁ। খুনলাই ভাই-ৰাজাৰ দুই পুত্ৰ, থাওতাইক্ৰা ১, সৰু থাওত্যানচুন্ ১। খুনলাই ৰাজা আছোঁতে বৰ থাওতাইক্ৰাক বলোচং ৰাজ্যত ৰাজা পাতিলে। পাচে লাক্নি খুৎচিঙ্গা ১০৯৭ শকত খুনলাই ৰাজা স্বৰ্গী হল। ভোগ ১৯ বৎসৰ।

পাচে পাত্ৰ-মন্ত্ৰীসকলে ত্যাওতানবুনক ৰাজা পাতিলে লাইডাই ৰাজ্যত। লাক্নি ৰাইমিত্ ১১১৩ শকত ৰাজা স্বৰ্গী হল। ভোগ ১৩ বৎসৰ।

ত্যাওতানবুন ৰজাৰ দুই পুত্ৰ, ত্যাওতাংপুং, সৰু তাংতইক্ৰা। বৰ ত্যাওতাপোনপায়ে লাইডাইত ৰাজ্য পাতিলে। পাচে কতোদিন ৰাজা হৈ আছিল। সৰুভায়েক ত্যাওতাংতইক্ৰা বলবন্ত হৈ ৰাজা হল। পাচে ত্যাতাংপোৱে অসন্তুষ পাই মুংৰিমুংৰামলৈ গল। খুনলুং ৰাজাৰ পুত্ৰ থাওলুলু লগত থাকিলগৈ। পাচে থাওত্যাংতাইক্ৰান স্বৰ্গী হল। ফানলুংজংকং ৰজা হল। তেওঁ স্বৰ্গী হলত লাইডাইত ভিনবংশী ৰজা হল। খুনলাই ৰাজাৰ ৰবপুতেক যি ত্যাওতাইক্ৰা ৰাণত্যাও ৰাজ্যত ৰজা আছিল, তেওঁ স্বৰ্গী হল। তেওঁৰে পুত্ৰ লাক্নি তাওচানত ৰাজা হল; কতোকাল ৰাজ্য ভোগ কৰিলে। পাচে স্বৰ্গী হল। ৰাণতাও ৰাজ্যত ভিনবংশী ৰাজা হল। ১১২॥

চুকাফাৰ জন্মকথা।—আৰু ত্যাংবুনৰ পুত্ৰ থাওখুন ৰাজা যে থাওলুলু লগত আছিলগৈ, একদিনা তেওঁ মুংৰিমুংৰামৰ পৰা মুংখামুংলৈ

গল। তাতে নগৰ কৰি কতদিন আছিলে। তাৰপৰা মুংখানলৈ গল। তাৰেপৰা মুংমাও পালেগৈ। তাতে আপোনাৰ বংশৰ খুলুং ঙাঙ্গিপানীওপুং ৰজায়ে লগ পাই সাদৰ কৰিলে। খুৱাই-খুৱাই বোলে,—"তঞি নামতিৰ পাৰ নহবি, তই আমি একে স্বৰ্গ-ৰাজাৰ বংশতে জন্মিছো, একেলগে চোলা বান্ধিছো, একেলগে খাইছোঁ। এতেকে তঞি খানংজিনতে থাকগৈ।" এই বুলি আপোনাৰ ভনীয়েক লাংমুং ব্লকখেনচেনক ত্যাওখুনলৈ দিলে।

এওঁৰে নাম ত্যাওতাংলো ১, ত্যাওক্লফ্রং, তিনি নাম। এওঁৰে পুতেক চুকাফ্রা লাক্লি খুতঙ্গি ১১১৭ শকত জন্মিল। আনায়েক পুতাকে অতি স্নেহ কৰি তুলিলে। তাহাৰ ঘৰতে আছিল ১৯ বৎসৰ। ১১৩॥

সৌমাৰত চুকাফা ৰজা।—পাচে খানংজিনত চুকাফ্রাৰ লাক্লি কাতৰাও ১১৩৭ চুকাফ্রা ৰাজা হৈ সেই ঠাইতে কতদিন থাকি পাচে বুখ্রংনফ্রাৰ ঠাইলৈ গল। তাতে কতদিন থাকি পাচে ৰৰা-বৰুৱে আলচ কৰি বোলে,—"চুগ্রাংফা ঠাইতে থাকোঁক, মঞি ভাটী ৰাজ্যলৈ যাওঁ।" এইৰূপে আলচ কৰি চুখাংনফ্রাতো অনুমতি লৈ আনায়েক পুতাকৰ ঘৰৰপৰা বিশ্বাসে চুমদেৱক চেঙ্গদেৱক যত্ন কৰি বাপেকৰ ঘৰত মুংখামুংজ্ৰালৈ আহিল, ১১৩৮ শকত। এটা টেকেলিত তিনিটা মানুহৰ ভাত সিজাব পাৰে, তামৰ টেকেলি তিনিশ ৩০০, প্রজা ন-শ ৯০০, দন্তাল হস্তি খানমুং ১, মাখুন্দি জিকিপনত ১, মাওঁ ফ্রাংপিম্ ১, চকু-বন্ধা ঘোঁৰা তিনিশ ৩০০, এইসকল চুকাফা মহাৰাজৰ লগত আহিল। আৰু ৰাজাৰ লগত অহা ৰৰা-বৰুৱাৰ নাম কওঁ,—মুংখামৰ অধিকাৰী তাখুথুকা ১, মুংখনৰ অধিকাৰী খুনকং ১, মুংখমু ১, পৰম অধিকাৰী ফ্রালুংখুন্তং ১, মুংফুকাৰিৰ অধিকাৰী তাখুনলাকু ১, মুংখুৰ অধিকাৰী খুনকুং ১, থাওখেনচুংলুং ১, খওমুং ১, চুবাঙ্গখাম ১, বনলুং ১, মুংখি ১, মুংজ্ৰা ১, এই আঘাৰটা ১১, ৰাটত লগ ধৰি অহা খুনলুংত্যোও ১। এইসকল সমন্নতে এঘাৰেশ সত্তৰ ১১৭০, এইখিনি মানুহেৰে

ভটীয়াই আহিল। ১১৭২ শকত বাতকুবান পালেহি। ১১৭৫ শকত মুংনংমুনাতি পালেহি। ১১৭৩ শকত হাতীখৰীয়া নগা পালেহি। নামতিয়ুকা নদী পাৰ হৈ উপৰ-চকুৱা নগাৰ গাওঁ পালেহি ১১৮০ শকত। তাৰপৰা আহি মুংকেওত বহিলেহি।

পাচে তাতে থাকি চুকাফা ৰাজা ভায়েক খুনলাই ১, খুনকং-খুনস্তং ১, কাংখুন ১, কানাং ১, থাওমুং-কেওখুন ১, থাওখেনলুং ১, থাওমুং-বাংখাম ১, এই সাতক ৭ মুংকওক যুজিবলৈ পঠালে। এইসকলে মুংকং জিনি আহিল, আৰু মহাৰজাৰ লগ ললেহি।

লংমি-ত্যেওকাওলৈ আহিলত তাৰপৰা মনখেং পালেহি, তাৰপৰা মুংখাম পালেহি, তাৰপৰা মতিলিক্রি পালেহি, তাৰপৰা কাস্তাই পালেহি। ১১৮২ শকত খোমজাং পালেহি, তাৰপৰা নামজাং পাৰ হুই নামজাং বিলৰ কাখৰ পালেহি। তাৰপৰা ডাঙ্গৰীয়াবোৰক নগাৰ গাওঁ মাৰিবলৈ পঠালে। সিবোৰে খেদি গৈ নগাৰ গাওঁ পালেগৈ। পাচে শক্রৰ প্রাৰম্ভ দেখি, খাৰখুন ১, মুংকাং ১, তিংখান ১, বিংপাও ১, লাতাম ১, লানাপাং ১, তাক ১, এই সাতখন গাওঁৰ নগা আপুনি ৰৰিল। সকলো গাওঁ বশ কৰি ডাঙ্গৰীয়াবোৰে সেৱা কৰিলেহি। পাচে মহাৰাজা চুকাফ্রাও কাংখংমুংক তাতে অধিকাৰ পাতি থলে। পাচে কাংজাং পাৰ হৈ ডইকঙ্গত বহিলগৈ; তাৰপৰা ডাঙ্গৰীয়াবোৰক পঠাই যি নগাৰ গাওঁ আছিল তাকে মাৰিব দিলে। পাপুকীয়া ১, খামতেলীয়া ১, খুনখতীয়া ১, খুনলুঙ্গীয়া ১, তংতিঙ্গীয়া ১, জাংখঙ্গীয়া ১, ছখন গাওঁ। নগা যুদ্ধ কৰিবলৈ নোৱাৰি বিস্তৰ নগা ভাগি পলাল। আমাৰ মানুহে বিস্তৰ নগা মাৰিলে। তাৰ নগা যিবোৰে ৰৰকথা মাতিছিলে সেইসকল নগাক মাংস কাটি খুৱালে, ককায়েকৰ মাংস কাটি খুৱালে ভায়েকক, বাপেকৰ মাংস পুতেকক খুৱালে। ১১৪॥

হাবুঙ্গত চুকাফা ৰজা।—এইমতে দণ্ড কৰি দইবাঙ্গৰ নাম্‌মুংমৰ কাখৰ পালেগৈ, তাৰপৰা নামৰূপ পালেহি। পাচে পাৰ হব নোৱাৰি নগাৰে ভুৰবে পাৰ হল। সেই ভুৰতে ঘোৰা ৩০০, হাতী ২, মানুহ

সেই ভৰাতে উঠি দিহিঙ্গে ভটিয়াই আহিল ১১৮৩ শকত। দিহিঙ্গত ভৰা থৈ বামলৈ উঠিল, কিছু উজাই গল। লাখেন তেলচৰা এই দুই নগাৰ গাওঁ ওচৰতে কোঁঠ কৰি ৰহিল ১১৮৪ শক। তাতে খুনতঙ্গক অধিকাৰ কৰি থৈ আহিল। দিহিঙ্গে ভটিয়াই আহিল, তিপাম পালেহি। তাতে তিনি বৎসৰ আছিল। পানী তলযোৱা গতি দেখি তাত নাথাকিলে। তাতে কানপুঙ্গক অধিকাৰ কৈ থলে। দিহিঙ্গে ভটীয়াই আহিল, শলগুৰি পালেহি। তাতে পাচ বৎসৰ ৰহিছিল। তাতো হাবি গতি দেখি দিহিঙ্গে ভটীয়াই আহিল, হাবুঙ্গত ৰহিল। ১১৫ ॥

মৰাণঘৰীয়া বুঢ়াগোহাঁই।—তিপামত পানী চাবলৈ পাচ পৰিল। সেই ঠাইতে মৰাণৰ জীয়ৰী দেখি বুঢ়াগোহাঁই ক্ষুভিত হল। সেই মৰাণৰ ঘৰত ৰহিল। আপোনাৰ হেঙ্গদান যি আছিল তাকো কেঁৱে নজনাকৈ থলে, কাঁক-বাহত সুমুৱাই থৈছিলে। পাচে সেই ঠাইতে মৰাণৰ জীয়ৰীত দুই পুত্ৰ জন্মিল। এমনে কতদিন আছিল, বুঢ়া-গোহাঁই নপৰিয়া পৰিল। পাচে বুঢ়ামৰাণৰ জীয়েকে বাংৰাইক আগতে থৈ দুই পুতেকত কলে, বোলে,—"মঞি শুদা মানোহ নহওঁ, ডাঙ্গৰীয়া বুঢ়াগোহাঁই হওঁ। মোৰ মৰণ সময় হলে, দুই পুতেকৰ ৩৫ বৎসৰ ১৪ বৎসৰ হলে, এই হেঙ্গদান দেখাই মহাৰজাৰ লগ লবিগৈ, তেহে আমাৰ বাচন লাগে। এতেকে মহাৰজা প্ৰমাণ পাই তহঁতক লগত লব, ভাল মানুহ কৰি ৰাখিব।" এইৰূপে শিকাই বুঢ়াগোহাঁই মৃত্যু হল।

পাচে মহাৰাজা পৰ্ব্বতত আছোঁতে মৰাণে কৰভাৰ দিয়া হেন দেখি মহাৰজা একদিনা বোলে,—"ইনো কোন্?" এই বুলি সুধিলে। বুঢ়াগোহাঁইৰ পুতেকে বোলে,—"আমি দুয়ো বুঢ়াগোহাঁইৰ লৰা।" পাচে বাপেকে কোৱা কথা-বাত্ৰা সকলোখিনি মহাৰাজত কলে, চিনৰ হেঙ্গদানকো দেখালে। পাচে মহাৰজা বুঢ়াগোহাঁইৰ পুত্ৰহেন প্ৰমাণ পাই বাপেকৰ বংশক্ৰমে নাম দিলে, লগত ললে। ১১৬ ॥

চৰাইদেও পৰ্ব্বতত চুকাফাৰ নগৰ—মহাৰজা হাবুঙ্গত তিনি বৎসৰ আছিল। তলযোৱা গতি দেখি ভাত নাথাকিল, লুইতে ভটীয়াই আহিল, দিখৌমুখ পালেহি। দিখৌমুখৰ পৰা দিলিহৰ মুখ পালেগৈ। দিলিহত হাত জুবুৰাই তিপামৰ পৰা পানীৰে আহি দিলিহৰ পৰা আহি দিখৌমুখৰ পৰা উজাই চংটকৰ মুখ পালেহি। পাচে পানী জুখি চাই, দিখৌতকৈ চংটকৰ পানী ছুটকাৰ গধুৰ, তাৰ নাম থলে চংটেক। সেই দিনাৰে পৰা সেই চংটকৰ মহাৰজা চুকাফা থাকিল। চুখ্ৰানফাৰ ঠাইলৈ কটকী পঠালে, সন্দেশ-পত্ৰকো দি পঠালে,—ৰূপৰ টাউকিন, বটা, কলহ ৩টা, বেলা দুখন, তাউ কাপোৰ ১১ খন, বচোৱাল ১০ খন দি পঠালে। পাচে চুখ্ৰানফা মহাৰজালৈ দি পঠালে সন্দেশ-পত্ৰ, জিন বন্ধা ঘোঁৰা ১, কাৰফাই ধনু ১, ৰূপকৰ বেৰা দিয়া চোলা ১, সোণোৱালী পইজাৰ ১ জোৰ, সোণৰ টুপী এটা ১, আৰু বিস্তৰ বস্ত্ৰ দি পঠালে। এইমতে দুয়োৰজা প্ৰীতিয়েৰে তাতে আছিল। পাচে মহাৰজা চংটকত দুই বৎসৰ আছিল। তাতে তুখুনলালক বৰুৱা পাতি থলে। পুনৰ্ব্বাৰ ভটীয়াই শিমলুগুৰিত ৰহিল। তাত দুই বৎসৰ আছিল। মানুহ পঠাই চোৱালে নামডেঙ্গত তিনি হাজাৰ পানীখোৱা ঘাট পালে, চাৰিঙ্গত তিনিশ ঘাট পালে। পাচে মনত সংশয় কৰি ভাত নাথাকিল, দিখৌৰে উজাই আহিল। তাতে আছিল এবৎসৰ নগৰ কৰি, তাতো তলযোৱা গতি দেখি নথাকিল। নাকুৰীদেৱৰ ঘৰৰ পৰ্ব্বতৰ কাখৰত সক পৰ্ব্বতখনিতে ৰহিল। তাৰে পৰ্ব্বত উত্তৰে-দক্ষিণে পখৰা ঘোঁৰাৰে ফুৰে। পাচে স্বৰ্গদেৱলৈ মান কৰিলে, সোণ আঠ টকা ৮, চইজুৰী দুগছ ২, খাম কাপৰ এখন ১ আগ কৰিলে। পাচে সেই ঠাইতে থাকিল। ১১৮৫ শকত নগৰ ললে। ১১৭॥

মহাদেৱৰ পূজা বিধান।—একদিনা তাৰেপৰা চাৰিটা মানহে পৰ্ব্বতৰ পৰা ফটাশিললৈ গৈছিলে। তাতে দেখিলে উশৃত খাটৰ ওপৰত ডাড়ি-গোঁফ পকা বৰ ভয়ানক জটাধাৰী পুৰুষ এক বসি আছে। সেই জটাধাৰী পুৰুষে চাৰিটা মনুষ্যক বুলিলে বোলে,—"তহঁতৰ ৰাজত

কৰিবৈগে তাক মইহে সৌমাৰপিঠত ৰজা পাতিছোঁ। মইসে মহাদেৱ।” এনেকৈ বুলিলে। হেন বাক্য শুনি তাৰে এটা মনুষ্যে মাটিত গোবোৱা মাৰি বোলে,—“এওঁহে ৰজা পাতিছে ?” এনেকৈ বুলিলত সি বোধিৰ ছাদি মৰিল। তাক মৰিবৰ দেখি ই তিনি মনুষ্যে ভয়াতুৰ হুইয়া দণ্ডৱতে সেৱা কৰিলে। পাচে সেই জটাধাৰী পুৰুষে বোলে,—“তইঁতৰ ৰাজাত কৰিবৈগে মোক কেকোৰাদেউৰ ১৩টা গাহৰি দি পূজা কৰিব নিতে।” পাচে সেই তিনি মনুষ্যে আহি ৰজাত জনালেহি, সকলোখিনি কথা কলে। পাচে মহাৰজা শুনি মানুহ পঠাই চোৱালে, পাচে সেই জটাধাৰী পুৰুষক নাপালে। ৰাত্ৰি মহাৰাজক স্বপ্নত দেখালে। পৰ্ব্বতত বিচাৰি পাই সেইদিনাৰ পৰা পূজা কৰিলে।

আৰ মহাৰজা পৰ্ব্বতত আছোঁতে, একদিনা ৰজা কঠালবাৰীৰ পৰা ৰৰাহী অনাই পাচে ঘৰ সজাই তাতে ভাত সিজাই খুৱালে। সেই সময়ত মৰাণে খঙৰা দা পাৰি ভাত খালে। পাচে মহাৰজা সিইঁতক সুধিলে বোলে,—“শাক ভাত কেনে হৈছে ?” মৰাণে একো কব নোৱাৰিলে। ৰৰাহীয়ে বোলে,—“শাকত লোণ কিছো হব লাগিল।” পাচে এই কথাতে ৰৰাহীক চাংমাই ললে, সেই ঘৰতে একোঠা বেঢ়ি দিলে। তাতে ৰৰাহীৰ হাতে ভাত খাইলে। তাতে পাঁচ বৎসৰ আছিল। ১১৮॥

চুকাফাৰ পুতেক চুতেউফা ৰজা।—১১৯০ শকত, ত্যাওলুং চুকাফা ৰজা স্বৰ্গী হল, লাক্নি কামাও, ভোগ ৪২।

তান পুত্ৰ ত্যাওলুং চুতাফা ৰজা হল, লাক্নি কাপচিত্। ডাপমাও ১২০৩ শকত ৰজা স্বৰ্গী হল, ভোগ ১১ বৎসৰ। ১১৯॥

চুপ্ৰাংফা ৰজাৰ সৈতে কমতেশ্বৰৰ মিত্ৰতা।—তান পুত্ৰ ত্যাওলুংত্যাও চুপ্ৰাফা ৰজা হল। তেওঁৰে দিনত কমতেশ্বৰ ৰজাৰে অনেক যুদ্ধ হৈছিল। দুয়োদলৰ বিস্তৰ লোক যুদ্ধত পৰিল। পাচে কমতেশ্বৰে বলে নোৱাৰি লস্কৰক পঠাই দিলে। পাচে সি কথা-

বাৰ্ত্তা হবলাহি, বোলে,—"তুমি আমি এইৰূপে যুদ্ধ কৰি থাকিলো কিয় ভাল হব? আৰু অনেক লোক পৰিবলৈকো আছে যুদ্ধত। কল্যলো নগুচে। এতেকে আমি দুয়ো ঘৰে প্ৰীতিয়েৰে থাকিলেহে সকলো বৰ্জা পৰোঁ। আমি প্ৰীতি কৰু। মোৰ ৰাজনী নামে ভনী সুন্দৰী এটি আছে, মই প্ৰীতিৰ কাৰণে ৰাজাক দিয়োঁ।" এইকথা মহাৰাজা শুনি বোলে,—"ভাল, এনেজনেৰে প্ৰীতি কৰিবহে লাগে। আৰো বিস্তৰ কথা হবলৈকো আছে আগলৈ। কমতেশ্বৰো মিত্ৰৰাজী কৰিবাৰ যোগ্য।" এই বুলি ৰাজা ভাল কটকী পঠাই কমতেশ্বৰলৈ ভাল বস্ত্ৰজাত দি পঠালে। ৰাজনী কন্যালৈকো অলঙ্কাৰপাতি দি পঠালে। আৰু নানা অপূৰ্ব্ব বস্তুকো দি পঠালে। কমতেশ্বৰ ৰজাৰ ভনী ৰাজনী কন্যাক আনি প্ৰধান মহিষী পাতিলে। সেইকালতে স্যাওলুংত্যাও চুপ্ৰাফা ৰাজা কমতেশ্বৰ সহিতে অধিক প্ৰিয় হল।

পাচে ৰাণী মহিষীত ত্যাওচুলাই নামে পুত্ৰ জাত হল। পাচে মহাৰজায়ে ত্যাওক চাৰিঙ্গৰজা পাতিলে। লাক্ৰি লাইচিঙ্গা ১২৫৪ শকত ত্যাওলুংত্যাও চুপ্ৰাফা ৰজা স্বৰ্গী হল, ভোগ ৩৮ বৎসৰ। ১২০ ॥

চুপ্ৰাফা ৰজা আৰু ৰবগোহাঁইৰ বিৰোধ।—তান পুত্ৰ ত্যাও চুপ্ৰাফা ৰজা হল। কতদিনান্তৰে থাওমুংলুংতাখুনমি ৰবগোহাঁই ৰজাৰ পৰা অপমান পাই চাৰিঙ্গৰজা ত্যাওচুলাইক ৰজা পাতিবৰ ইচ্ছা কৰিলে। ত্যাওচুলাইলৈ কথা দিলে।

পাচে মহাৰজা এইকথা শুনি অস্ত্ৰে-শস্ত্ৰে লোক-লস্কৰে সহিতে আঠগাঁৱত বানত্ৰাঙ্গত ৰহিলে, তাৰপৰা নাওজাং চাৰিঙ্গত কোঁঠদি ৰহিল। এইকথা ত্যাওখুথামত্ৰা ৰজাই শুনি মানুহ পঠাই ত্যাওচুলাই ভায়েকত সুধিলে বোলে,—"কমতেশ্বৰ ৰজা কি কাৰ্য্যে আসিছে কৈ পঠাওক।" থাওচুলায়ে বোলে,—"কমতেশ্বৰ কি কাৰ্য্যে আসিছে মই নাজানো।" ত্যাওচুখামত্ৰায়ে বোলে,—"মিত্ৰ ৰাজা কি কাৰ্য্যে আসিছে কৈ পথাওক।" কমতেশ্বৰে বোলে,—"মাছ-পছ মাৰিবলৈ আহি মিত্ৰ ৰাজাৰ ঠাই দৰ্শন পাইছোঁহি।" এইকথা মহাৰাজা শুনি পুনৰ্ব্বাৰ

নানান বস্তু দি ভাল মনুষ্য পঠাই বুলিলে বোলে,—"মিত্র ৰাজাৰ লগত ভাই ত্যাওচুলায়ে থাওমুংলুং তাখ্‌মিখুন ৰবগোহাঁই আছে হেন শুনিছোঁ, দুইকো দি পঠাওক।" এইকথা শুনি কমতেশ্বৰে বোলে,—"দুয়ো লগতে আছে, ভয় পাই শৰণাপন্ন হৈছেহি। ভাল, দি পঠাম। দুয়োৰে দোষ অপৰাধ ক্ষমা কৰিব।" মহাৰাজ শুনি বোলে,— "মিত্র ৰজায়ে যি মাতিছে দুইৰো দায়-অপৰাধ ক্ষেমা কৰিলোঁ।" "মই যাব নোৱাৰোঁ, গলে মুক মাৰিবো।" এইবুলি পাচে ৰবগোহাঁই নগল। পাচে মহাৰজা খং কৰি থাওমুংলুং ত্যাওখিন্‌ ৰবগোহাঁইক ধৰি নামাবিলে। পাচে কমতেশ্বৰ আপোনাৰ দেশলৈ গল। সেই লগতে ত্যাওচুলায়ো গল। ১২১॥

চুখ্ৰাংফাৰ মৃত্যুত অৰাজকতা।—পাচে ত্যাওচুখানফ্রা লাক্নি কাতমাও ১২৮৬ শকত স্বৰ্গী হল, ভোগ ৩৩ বৎসৰ।

তেওঁৰ অবিহনে ৰাজ্য অৰাইজ্য হৈ আছিল ছয় বৎসৰ। পাত্র-মন্ত্রীসকলো সমালোচন কৰি লাহনজি নগাৰ গাওঁৰ পৰা ৰাজাৰ বংশী ত্যাওলুংচুতামফ্রাক আনি লাক্নি কাপ্‌চান ১২৯১ শকত চম্পা-পুৰিত ৰজা পাতিলে। ১২২॥

চুতুফা আৰু ত্যাওখামথি ৰজা—পাচে ত্যাওচতুংফ্রাক আনি তেওঁ চুটিয়া ৰজাৰে সাজি-সখি কৰি কত দিনা প্ৰীতিভাৱে আছিল। একদিনা ছলকৈ ৰং কৰো বুলি নাওত তুলি নি ভতৰা গৰুৱেৰে গৰকাই মাৰিলে, ভোগ ১১, লাক্নি কাপচিঙ্গা; ১৩০২ শকত মৃত্যু।

পাচে তেওঁৰ ভায়েক ত্যাওফ্রাখামফা ৰজা হল। অনেক আৰু অধৰ্ম্ম অকাৰ্য্য দেখি লোকজন ৰৰা-ৰকক সহিব নোৱাৰি সকলোৱে আলচি ৰজাক খুন কৰিলে, লাক্নি ৰাইচিঙ্গা। ভোগ ১১ বৎসৰ।

থামি ৰজাক খুন কৰিলত অৰাইজ্য হৈ আঠ বৎসৰ আছিল। ১২৩॥

চুডাংফা বামুণী কোঁৱৰ।—পাত্রে কলে থাওখুন মামে আহম এটায়ে—"লোহিতৰ সিপাৰে ৰৰ ডাঙ্গৰ গোষ্ঠীৰ লৰা এটা জগ পাই আহিছোঁ।" এই বাৰ্ত্তা পাই লোকজন সকলো সমালোচন কৰি চুডাঙ্গক

আনি চাই কীৰ্ত্তি সোধ-পোছ কৰি আৰু ৰজাৰ গোষ্ঠী হেন জানি লাক্লি কাপ্নাও ১৩২০ শকত চৰগুৰাত ৰজা পাতিলে। পাচে ৰজা হৈ আপোন নিয়মে নাম ললে ত্যাওক্ৰচুডাং।

পাচে তিপমীয়া খুনতাইৰ ত্যাওবুক খুমাচঙৰ নাংচেঙৰ কুঁৱৰীয়েৰে তিপাম ৰজাৰে লেনাদেনা আছিল। পাচে একদিনা মহাৰজা ভাত খাওঁতে সেই কুঁৱৰীয়ে তিপাম ৰজা ত্যাওচুলাইলৈ চাইছিলে। তিপাম ৰজা লিগিৰীৰ হাতে বাখৰপতা আঙ্গঠি এটা দি পঠালে। এইকথা লোকেও জানি মহাৰাজত জনালে। মহাৰজায়ে ত্যাওচুলাইক পাই ধৰি চোখামেৰে সুধিলে, বোলে,—"মোৰ কুঁৱৰীলৈ বিশ্বাসে কিয় আঙ্গঠি দি পঠালে?" এনেতে লানখিনিপৰ জীয়েক তিপমীয়ানীয়ে মহাৰজাত গোচৰ দিলেহি, "টাই-তিপাম তিপমীয়ানীয়ে আলচ কৰিছে।" এইৰূপে গোচৰ দিবৰ শুনি ট্যাতিপাম ৰজা, তিপাম, তামৰাও, তিনিও ভয় হৈ পলাই গল। ১২৪ ॥

নড়া আৰু আহোমৰ ৰণ।—নড়াৰজা চুকুফাত জনালে,—"নাম-ৰাজ্যত তোমাৰ ভাই-পো কোনো নাই। এতেকেসে তোমাৰ বংশত ৰাজা নাই। ত্যাওচুনপোক অনেক লোকজন লগত দি "আমাৰ হগৈ" বুলি পঠাই দিলে। সি আহি তিপামৰ কুঁহিয়াৰবাৰীত ৰহিল। তাৰ লগত তিপাম ৰাজাও, তিপমীয়া কুঁৱৰীও, তিপাম, তামৰাও, তিনিও আহিল। পাচে সিহঁতে আহিবৰ শুনি পাইৰিন হাতীত উঠি থাওমুংলুং ত্যাওতানৰিন ৰৰগোহাঁই ঘোঁৰা উঠি খেদিগৈ তিপামৰ কুঁহিয়াৰবাৰীত যুদ্ধ ধৰিলেগৈ। পাচে মহাৰাজাৰ শৰীৰত যাঠিৰ আগ লাগিল, কিছুমান ঘা লাগিল। পাচে আমাৰ মানুহ বলে নোৱাৰি নড়াত আছিলগৈ। ভাগি যুদ্ধ এৰিলে, আপোন ৰাইজ্যলৈ গৈল। আমাৰ এখেৰ থোৱা ত্যাওচুলাই, তিপমীয়া কুঁৱৰী, তিপাম তামৰাও এই তিনি তাৰ লগত কমতেশ্বৰৰ ঠাইলৈ গল ভটীয়াই। এই যুদ্ধৰ সময়ত চুড়াঙ্গ মহাৰজায়ে সম্মানৰ বচন বুলিলে। মহাৰজাক যুদ্ধত সখা নভজিল দেখি সেই কথা মহাৰজাৰ মনত আছিল। পাচে

একদিনা ভাত খুৱাওঁ বুলি সিহঁতক মতাই আনিলে। পাচে ভাল নগাক কাটিলে, তিপামৰ ৰৰশিমলুগুৰিত মূৰ-মালা বান্ধিলে। ১২৫॥

কমতেশ্বৰে সৈতে চুডাংফা ৰজাৰ মিত্ৰতা।—সেই সময়ত কমতেশ্বৰ ৰাজ্য পাচে আহি লোকজন সহিতে যুদ্ধ লাগিল। পাচে কমতেশ্বৰ অনেক মিত্ৰভাব দৰ্শাই পাৰ্থনা কৰি ত্যাওফ্রাচুডাং মহাৰজাৰ ঠাইলৈ ৰূপাই লস্কৰ কটকী পঠাই বোলে,—"মোক পঠাৱ যদি কৰভাৰ দিম।" পাচে এইকথা মহাৰজা শুনি থাওমুংলুং বৰগোহাঁইক পঠালে। আৰু সিয়ে কমতেশ্বৰ ৰাজায়ে বঙ্গালক যুদ্ধ কৰিবলৈ লোকজন খুজি পঠাইছে। তেওঁ আপুনাৰ লোকজন সহিতে সন্য গৈ পাচে মহাৰজাৰ আজ্ঞায়ে বৰগোহাঁই কমতেশ্বৰ ৰজাৰ সহায় হৈ যুদ্ধ কৰি সকলে বঙ্গালক ভঙ্গালে। পাচে কমতেশ্বৰে উপকাৰলৈ আলচ কৰি জীয়েক ভাজনীক চুডাঙ্গ মহাৰজালৈ দিলে। পাচে কমতেশ্বৰ ৰজাৰ বাপেকৰ নাম মাণিক, ককায়েকৰ উৰি নাম চেংখন। কন্যাৰ লগত দিলে হস্তি দন্তাল ১, মাখুন্দী ১, ঘোৰা ২, ৰূপাৰলী জিন বন্ধা ১, জিন বন্ধা ১২, বান্দী ২০, বেটী ৪৭ ঘৰ, স্থুবৰ্ণৰ ৰাজা অন্যেবস্তু অনেক দিলে। পাচে চুডাঙ্গ মহাৰজায়ো সেই কন্যাক প্ৰধান মহিষী পাতিলে। সেই সময়তে আমাৰ লোকে বঙ্গালক জিনিলে, কাটি-মাৰি কৰতীয়া গঙ্গাত খাণ্ডা পখালিলে, পুখুৰীয়ো খানিলে, আমাৰ লোক সহায় পাই বঙ্গালক জিনিলে। ১২৬॥

নড়া ৰজালৈ চুডাংফাৰ উকিল-পত্ৰ।—এওঁ ৰজাৰ দিনত আঠ বৎসৰ নড়া ৰজালৈ আমাৰ কটকী যোৱা নাই। সেই সময়তে মুংখাংমুং, আইতনমুং, তিপাম এগ্নি তিনিয়ে সাত বৎসৰ আমাৰ ৰাজাক কৰভাৰ দিয়া নাই। পাচে চুডাং মহাৰজা লাক্রি কংৰাও ১৩২৮ শকত ত্যাওপুংসাঞ কটকীৰ হাতত জাবিনালত কাকত ভৰাই দিলে, নড়া ৰজা চুকনফালৈ জনাব দিলেগৈ। কাকত এইৰূপে লিখিছিলে,—"মুংখাংমুংজাং, মুংআইতন, তিপাম এই তিনি ৰাজ্যে তেৰ ঠাইলৈকো এখেনেকো কৰভাৰ দিয়া একো নাই। এতেকে তিনিওখন ৰাজ্য

মাৰিব খোজোঁ। তেওঁ কি বোলে ? মোলৈ কৈ পঠাক।” পাচে নড়া ৰজায়ে চুৰনক্ৰায়ে এই সমাচাৰ শুনি খুংখুনবান কটকীক পঠাই সিহঁতক কব দিলে,—“সি গুদা আহোম, মোৰ ককাই-ভাইক কবভাৰ খুত কিয় নিদি থাকে ? স্বতন্ত্ৰ ৰূপে কিয় থাকে ?” এই বুলি সিহঁতলৈ পঠালে।

আমাৰ পুংমাওৰ লগত ত্যাওখুংবান কটকী পত্ৰ-সন্দেশ দি নড়া ৰজা চুৰনক্ৰায়ে আমাৰ মহাৰজাৰ ঠাইলৈ দিলে সন্দেশ গুকিলা ঘোৰা ১, জবৈকথা ঘোৰা ১, মুখ-চাওনি জৰি এগছ ১, জবৈকথা ঘোৰাৰ তলচা ১, টঙ্গিপীৰা ১।

পাচে ত্যাওপুংমাও, ত্যাওলুনবান, এই দুই কটকীক পত্ৰ-সন্দেশ আহোমত আমাৰ ঠাইলৈ পাওঁতেহি লাক্নি কাকেও ১৩৩০ শকত চুডাং মহাৰজা স্বৰ্গী হ'ল, ভোগ ১০ বৎসৰ। ১২৭।

চুক্ৰাংফা, চুকফা আৰু চুচেন্ফা।—পাচে তেওঁৰ পুতেক ৰজা হল চুক্ৰাংফা নামে। লাক্নি বাইচেও ১৩৪৪ শকত চুক্ৰাংফা মহাৰজা স্বৰ্গী হল, ভোগ ১৪ বৎসৰ। পাচে তেওঁৰে বংশত ত্যাওক্ৰা-চুফুক ৰজা হল। ১৩৬০ কাচেও শকত ত্যাওক্ৰা-চুফুক ৰজা স্বৰ্গী হল, ভোগ ১৬ বৎসৰ।

পাচে তেওঁৰ পুতেক ত্যাওক্ৰা-চুচেন ৰজা হল ১৩৬০ শকত। আষাৰ মাসত। একদিনা দিনতে আন্ধাৰ হৈছিল। ৰাতিহেন জানি পক্ষীসকলে বহিবলৈ গৈল।

পাচে আখাম্পে নগাঞ্চ পানীত হাত জোৰোৰাই শপত কৰিলে, ভেটিকৈ দা তিনিখান। মহাৰজাত গোচৰ দিলে বোলে,—“টুংচুৰাল নগাৰে আমাক ডকা দিয়ে। তাক মাৰি আমাক ৰক্ষা কৰোক।” এই বুলি ভিতৰলৈ তুলকৈ গল। তাৰ লগত বহুত নগাক দা, যাঠি, ফৰ, ত্ৰিশূলক হাতত ধৰাই ছাৰিত থৈছিলে। এইকথা মহাৰজা নাজানি টুংচু নগাক মাৰিবলৈ ত্যাওকানবান থাকুক, ত্যাওবিংময় এই দুইক আগক পঠালে। পাচত মহাৰজাও গল।

পাচত্র লুকাই থকা নগাৰে ৰাটত যুদ্ধ ধৰিলে। আমাৰ লোকজন অকলৈ অসাৱধান দেখি বিস্তৰ কাটিলে ১৪০ মানুহ। ত্যাওকানবান ৰুকক, ত্যাওবিংমাই, এই দুইক সেই ৰণত নগায় কাটিলে। পাচে মহাৰজা ৰণত্র হাৰিল। পুতেক সহিতে উলটি আহিল।

লাক্রি কংচেও ১৪০৯ শকত জেঠ মাসত ত্যাওখাচুচেন ৰজা স্বৰ্গী হল, ভোগ ৪৯ বৎসৰ। ১২৮॥

চুহেলফা আৰু চুপিমফা।—তাৰ পুত্র ত্যাওচুহান ৰজা হল ১৪১০ শকত। টুংচু নগাক মাৰিবৰ নিমিত্তে গড় বান্ধিবলৈ মুংকঙৰ পাচিলে।

আৰু পাচতে ১৪১১ শকত চৈত্র মাসত কছাৰীয়ে ৰণ কৰিবলৈ আহিল, এইকথা ত্যাওকা-চুহান ৰাজা শুনিলে। খুনলুং-খামপেঙক সেনাপতি পাতি যুদ্ধলৈ পাচিলে। খুনলুং-খামপেঙ সৈন্য জোকাই প্রাইবিন হাতীত উঠি যুদ্ধৰ সমুখে গল। থাওমুংবাংকনকো সেনাপতি পাতি পঠালে। কছাৰীও সৈন্য দেখি আহিল। পাচে আমাৰ লোকজনে খেদি গৈ দিখৌ পাৰ হৈ কছাৰীয়ো খেদি আহিল, থাওমুংবাংকনে থাওপেঙ খামুংলং হাতীত উঠি পলাই আহিল। আমাৰ লোকজন ৰণত্র পৰিল ১২০॥ কছাৰীও পাচে-পাচে খেদি আহিল, টংচু পালেহি। মুকংকাইতে গড় বান্ধিবলৈ যোৱা মুংকং ৰণত পৰিল। পাচে ত্যাওকা-চুহান ৰজায়ো খেদি গৈ দিখৌৰ পাৰ হৈ ৰহিল। সেই ঠাইতে থাকি লাংজী নামে কন্যা, দন্তাল হস্তী ১টা, মাথুলী ১, বন্দী ১২টা, এইখানি কথা-বাৰ্ত্তা হৈ মিত্রভাবে কছাৰীক জিনিলে।

আগে খুনলং-খামপেঙৰ নাম থাওমুংলুং আছিল; আৰু পো-নাতি ফুলুং-খামপেঙ বোলে। এই দুইকে মহাৰজা ডাঙ্গৰ কৰিল, ১৪১২ শকত। থাওকাংবানকক আছিল, তাৰ পো-নাতিক ত্যাওকাংবানকক বোলে; থাওমুংলুং দিলে।

পাচে একদিনা টাই-তুৰবান আহোমে এক গৃহস্থৰ ধান্য চুৰি কৰিলে। পাচে সেই আহোমক চোৰ ধৰিলে, ৰজাত যোগালে।